# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব।

২। চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে।

৩। উত্তৰাখণ্ডত ৰুদ্ৰপ্ৰয়াগ জিলাৰ চিৰোৱাছাৰ সমীপত হোৱা ভূমিস্খলনত ৩ জন তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুৱাইছে।

৪। ২৯ জুনত অমৰনাথ যাত্ৰা আৰম্ভ হোৱাৰে পৰা বিগত ২২ দিনত ৩ লাখ ৮৬ হাজাৰৰো অধিক ভক্তই পবিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে। ***আৰু***

৫। ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে এটা সমাবেশকো সম্বোধন কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৱেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনাৰ লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্য তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি অধিৱেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে, ভাৰতে বিশ্ব ঐতিহ্য সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰি যথেষ্ট গৌৰৱ অনুভৱ কৰিছে। ছ'চিয়েল মিডিয়াৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰতে এই সমিতিখনৰ অধিৱেশন প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে আৰু আজি সন্ধিয়াৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে। দেশৰ ঐতিহ্য সংৰক্ষণৰ উপায় সন্দৰ্ভত মত-বিনিময় কৰাৰ বাবে ই এখন গুৰুত্বপূৰ্ণ মঞ্চ বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। বৈঠকত চৰকাৰে আসন্ন বাজেট অধিবেশনৰ সময়ছোৱাত সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত সকলো

ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, কিৰেন ৰিজিজু, অৰ্জুন ৰাম মেঘৱাল, জে পি নাড্ডা, চিৰাগ পাচোৱান, ৰামদাস আঠাৱালে, কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ আৰু গৌৰৱ গগৈ, এন চি পি নেতা প্ৰফুল পেটেল, ডি এম কেৰ নেতা টি.আৰ. বালু আৰু তিৰুছি শিৱা, আম আদমী পাৰ্টীৰ নেতা সঞ্জয় সিং আৰু এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন ওৱেছি প্ৰমুখ্যে ভালেসংখ্যক সাংসদে অংশগ্ৰহণ কৰে।

সংসদৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব। অধিবেশনৰ প্ৰথম দিনা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত অৰ্থনৈতিক জৰীপ দাখিল কৰিব। অৰ্থনৈতিক জৰীপে অৰ্থব্যৱস্থাৰ বিভিন্ন খণ্ডৰ পাৰিসাংখ্যিক তথ্য আৰু বিশ্লেষণ আগবঢ়ায়। ইয়াৰ জৰিয়তে কৰ্ম সংস্থাপন, মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ আৰু মুদ্ৰাস্ফীতিৰ তথ্যও লাভ কৰিব পৰা যায়। বিত্তমন্ত্ৰীগৰাকীয়ে পৰহিলৈ সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল। চৰকাৰে বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক, বইলাৰ বিধেয়ক, ভাৰতীয় বায়ুযান বিধেয়ক, কফিৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক আৰু ৰবৰৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক আছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰু পূৰ্ণিমা উপলক্ষে দেশবাসীক ওলগ জনাইছে। এই দিনটোত জনসাধাৰণে শিক্ষক-শিক্ষয়িত্ৰী আৰু আধ্যাত্মিক গুৰুসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। ঋষি বেদব্যাসৰ জয়ন্তীৰ লগত সংগতি ৰাখি এই পৰ্বক ব্যাস পূৰ্ণিমা বুলিও কোৱা হয়।

০০০

লাওচৰ ভাৰতীয় দূতাবাসে লাওচৰ চাইবাৰ স্কেমিং কেন্দ্ৰৰ পৰা ১৩ জন ভাৰতীয় নাগৰিকক উদ্ধাৰ কৰি তেওঁলোকক সুৰক্ষিতভাৱে ভাৰতলৈ পঠিয়াবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। লাওচত এনে প্ৰৱঞ্চনা চক্ৰৰ কবলৰ পৰা এতিয়ালৈকে মুঠ ৫১৮ জন ভাৰতীয়ক উদ্ধাৰ কৰা হৈছে বুলি লাওচৰ ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰকাশ কৰিছে। লগতে পোষ্টটোত ভাৰতীয় দূতাবাসে এই বিষয়ত সহযোগিতা আগবঢ়োৱাৰ বাবে লাওচ কৰ্তৃপক্ষৰ ধন্যবাদ জ্ঞাপন কৰিছে। লাওচলৈ অহা ভাৰতীয় শ্ৰমিকসকলক ভুৱা তথা বেআইনী চাকৰিৰ প্ৰস্তাৱৰ চাইবাৰ কেলেংকাৰীত প্ৰতাৰিত হৈ তেওঁলোকৰ সুৰক্ষাক বিপদাপন্ন নকৰিবলৈ আহ্বান জনাইছে। পোষ্টটোত ভাৰতীয় নাগৰিকসকলক এনে জালিয়াতি তথা শোষণমূলক চাকৰিৰ প্ৰস্তাৱত প্ৰলোভিত নহ'বলৈও পৰামৰ্শ দিয়া হৈছে।

০০০

উত্তৰাখণ্ডত ৰুদ্ৰপ্ৰয়াগ জিলাৰ কেদাৰনাথ যাত্ৰা পথত চিৰোৱাছাৰ সমীপত আজি পুৱা হোৱা ভূমিস্খলনৰ ঘটনাত ৩ জন তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুৱাইছে আৰু অন্য ৩ জন আহত হৈছে। যাত্ৰীকেইগৰাকী গৌৰীকুণ্ডৰ পৰা কেদাৰনাথলৈ গৈ থকা অৱস্থাত ভূমিস্খলনৰ বলি হয়। নিহতসকলৰ ভিতৰত দুজন মহাৰাষ্ট্ৰৰ আৰু এজন স্থানীয় বাসিন্দা বুলি কোৱা হৈছে। আহতসকলক চিকিৎসাৰ বাবে ৰুদ্ৰপ্ৰয়াগৰ গৌৰীকুণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰত ভৰ্তি কৰোৱা

হৈছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে আৰু আহতসকলক উন্নত চিকিৎসা প্ৰদান কৰিবলৈ নিৰ্দেশ দিছে।

০০০

নেচনেল ষ্টক এক্সেঞ্জৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়াই ষ্টক মাৰ্কেট সন্দৰ্ভত পৰামৰ্শ দিয়া দিপফেক ভিডিঅ'সমূহৰ বিৰুদ্ধে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বোম্বে উচ্চ ন্যায়ালয়ে সামাজিক মাধ্যম মঞ্চৰ মধ্যস্থতাকাৰীক নিৰ্দেশ দিছে। ন্যায়াধীশ আৰ আই চাগলাৰ বিচাৰপীঠে ফেচবুক, ৱাটছএপ, ইনষ্টাগ্ৰাম, টেলিগ্ৰামৰ দৰে ছোছিয়েল মিডিয়া প্লেটফৰ্মৰ পৰা এন এছ ইৰ ট্ৰেড মাৰ্ক উলংঘন কৰা সকলো একাউণ্ট আতৰোৱাৰ লগতে ভূৱা ভিডিঅ' প্ৰকাশ কৰা আৰু এন এছ ইৰ পঞ্জীয়নভুক্ত ট্ৰেড মাৰ্ক ব্যৱহাৰ কৰা সকলো একাউণ্টৰ সবিশেষ প্ৰদান কৰি ৩ সপ্তাহৰ ভিতৰত তেওঁলোকৰ শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। আদালতে এই বিষয়টো ১৯ আগষ্টত পৰৱৰ্তী শুনানিৰ বাবে স্থগিত ৰাখিছে।

০০০

২৯ জুনত অমৰনাথ যাত্ৰা আৰম্ভ হোৱাৰে পৰা বিগত ২২ দিনত ৩ লাখ ৮৬ হাজাৰৰো অধিক ভক্তই পবিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে। আমাৰ জম্মুৰ সংবাদদাতাই জনাইছে যে ৩ হেজাৰ ১১৩ গৰাকী তীৰ্থযাত্ৰীৰ ২৩ সংখ্যক দলটোৱে আজি নিচেই পুৱা সৰুবৰ ১২৩ খন বাহনেৰে জম্মুৰ ভগৱতীনগৰ যাত্ৰী নিৱাসৰ মূল শিবিৰৰ পৰা যাত্ৰা আৰম্ভ কৰে। চলিত বৰ্ষত অমৰনাথ যাত্ৰা ৫২ দিন চলিব আৰু অহা মাহৰ ১৯ তাৰিখে শাওণ পূৰ্ণিমা আৰু ৰাখী বন্ধনৰ দিনা এই যাত্ৰাৰ সামৰণি পৰিব।

০০০

নেপালৰ কে পি শৰ্মা অ'লি চৰকাৰে আজি দেশখনৰ নিম্ন সদন প্ৰতিনিধি সভাত আস্থাৰ ভোটৰ বিচাৰিব। নেপালৰ সংবিধান অনুসৰি নৱনিযুক্ত প্ৰধানমন্ত্ৰীয়ে নিযুক্তিৰ ৩০ দিনৰ ভিতৰত সংসদত আস্থা প্ৰমাণ কৰিব লাগে। ৭২ বছৰীয়া প্ৰবীণ কমিউনিষ্ট নেতা কে পি শৰ্মা অ'লিয়ে সোমবাৰে চতুৰ্থবাৰৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিল। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ প'দেলে দেশখনৰ সৰ্ববৃহৎ কমিউনিষ্ট পাৰ্টি চি পি এন- ইউ এম এলৰ অধ্যক্ষগৰাকীক নেপালী কংগ্ৰেছৰ সৈতে লগলাগি মিত্ৰজোঁট চৰকাৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিছে। শ্ৰীঅ'লিয়ে পুষ্পকমল দাহাল চৰকাৰ পতনৰ পাছত নতুন গঠন কৰিছে। ২৭৫ জনীয়া প্ৰতিনিধি সভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ১৩৮ গৰাকী সদস্যৰ সমৰ্থনৰ প্ৰয়োজন। নিম্ন সদনত নেপালী কংগ্ৰেছ আৰু চি পি এন- ইউ এম এলৰ ১৬৬ গৰাকী সদস্য আছে।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীতো আজি পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে ৰাজস্থান, হিমাচল প্ৰদেশ, পাঞ্জাৱ, বিহাৰ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডত বুধবাৰ পৰ্যন্ত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

০০০

ভাৰত আজি শ্ৰীলংকাৰ ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে

অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বজাত আৰম্ভ হ'ব। ভাৰত খেলখনত জয়ী হ'লে ছেমি ফাইনেলত প্ৰৱেশ কৰিব।

আয়োজক দেশ শ্ৰীলংকাই কালি ৰিশমী গুণৰত্নেৰ অৰ্ধ শতকৰ সহায়ত বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। শ্ৰীলংকাই ১১২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বাংলাদেশৰ হৈ নাহিদা আখটাৰে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১১১ ৰান কৰে। বাংলাদেশৰ  অধিনায়ক নিগাৰ ছুলতানাই ৫৯টা বলত ৪৮ ৰান কৰে। শ্ৰীলংকাৰ হৈ উদেশিকা প্ৰবোধনী আৰু ইন'ছি প্ৰিয়দৰ্শনীয়ে দুটাকৈ উইকেট লাভ কৰে। শ্ৰীলংকাৰ ৰিশমী গুণৰত্নেক প্লেয়াৰ অব্ দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ